# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 05-02-2025
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*
**- - - - - - - - - - - - - - -**

১।  অসম মন্ত্ৰীসভাৰ বৈঠক সম্পন্ন। পৌৰ নিকায়ৰ এহেজাৰ ৪৪ গৰাকী কৰ্মচাৰীৰ চাকৰি প্ৰাদেশিকীকৰণৰ বাবে বিধেয়ক।

২।  ২৪ ফেব্ৰুৱাৰীত দুদিনীয়া ভ্ৰমণসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম আগমন।

৩।  বৰঝাৰৰ গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ টাৰ্মিনাছ উন্নীতকৰণ প্ৰকল্প উদ্বোধন।

৪।  কাজিৰঙাত জলচৰ আৰু পৰিভ্ৰমী পক্ষীগণনা ষষ্ঠবাৰৰ বাবে সফলতাৰে সম্পন্ন। **আৰু**

৫।  ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ আজি নৰম দিনা লন বলত অসমৰ সুৰঞ্জনা বৰুৱাৰ ৰূপৰ পদক।

ooooo

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অসম মন্ত্ৰীসভাৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত অসম পৌৰনিগম কৰ্মচাৰীৰ প্ৰাদেশিকীকৰণ বিধেয়ক ২০২৫ত অনুমোদন জনায়। এই বিধেয়কৰ জৰিয়তে ৰাজ্যৰ ৭১ খন পৌৰ নিকায়ৰ এহেজাৰ ৪৪ গৰাকী কৰ্মচাৰীৰ চাকৰি প্ৰাদেশিকীকৰণ কৰিবলৈ বিচৰা হৈছে। মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এই বিষয়ে সদৰি কৰে। আজিৰ বৈঠকে অসমৰ বিভিন্ন শ্ৰেণীৰ বিদ্যালয়ত কৰ্মৰত অসমীয়া বিভাগৰ শিক্ষকসকলৰ চাকৰিৰ নিয়মাৱলী একেধৰণৰ কৰাৰ বাবেও সিদ্ধান্ত লয়। আজিৰ বৈঠকে অসমত মূল্য সংযোজিত কৰ গাঁথনিক অধিক শৃংখলিত কৰাৰ বাবেও সিদ্ধান্ত লয়।

**বাইট (জয়ন্ত মল্লবৰুৱা)**

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে ২৪ ফেব্ৰুৱাৰীত অসমলৈ আহিব। ৰাজ্যখনত ঔদ্যোগিক আৰু বিনিয়োগ আন্তঃগাঁথনি উন্নয়নৰ লক্ষ্যৰে ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছাম শীৰ্ষক বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰিব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি সংবাদ মাধ্যমৰ আগত এইবিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰীগৰাকী অহা ২৪ ফেব্ৰুৱাৰীত গুৱাহাটীত উপস্থিত হ'বহি। মুখ্যমন্ত্ৰীয়ে যোৱা দুদিনত নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপৰি বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণ, পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰী, ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱ, বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেল, পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদ্বীপ সিং পুৰী আৰু ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াকো সাক্ষাৎ কৰে। কালি ডঃ শৰ্মাই চত্তিশগড়ৰ ৰাজ্যপাল ৰমেন ডেকাকো সাক্ষাৎ কৰে। মুখ্যমন্ত্ৰীয়ে তেওঁলোকক

সন্মিলনলৈ আমন্ত্ৰণ জনায়। ডঃ শৰ্মাই লগতে মন্ত্ৰীকেইগৰাকীৰ সৈতে ৰাজ্যখনৰ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্প সন্দৰ্ভতো আলোচনা কৰে। এই ভ্ৰমণসূচী সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয় –

**-বাইট-**

ডঃ শৰ্মাই কালি এডভাণ্টেজ আছাম সন্মিলনৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰক নতুন দিল্লীত সাক্ষাৎ কৰে। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক এই সন্মিলনলৈ আমন্ত্ৰণ জনোৱাৰ লগতে শ্ৰী জয়শংকৰে দেশৰ এক্ট-ইষ্ট নীতিত অসমৰ গুৰুত্বপূৰ্ণ ভূমিকা সন্দৰ্ভত এডভাণ্টেজ আছামৰ কাৰ্যসূচীত আলোকপাত কৰিব বুলি আশা প্ৰকাশ কৰে।

এডভাণ্টেজ আছাম সন্মিলনত প্ৰধানমন্ত্ৰী মোদীৰ লগতে ভূটানৰ প্ৰধানমন্ত্ৰীও উপস্থিত থাকিব। পাঁচখন সহযোগী দেশে অংশ ল'বলগীয়া এই সন্মিলনত ৫ শতাধিক বিদেশী উদ্যোগী আৰু বিনিয়োগকাৰীয়ে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

ooooo

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ সৈতে সংগতি ৰাখি অহা ২৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী মোদীৰ উপস্থিতিত হ'বলগীয়া ঝুমুৰ নৃত্যৰ অনুষ্ঠানৰ প্ৰস্তুতি পৰ্যালোচনাৰ বাবে আজি এখন বৈঠক অনুষ্ঠিত হয়। ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত গ্ৰহণ কৰিবলগীয়া 'ঝুমইৰ বিনন্দিনী' শীৰ্ষক এই কাৰ্যসূচীৰ বিভিন্ন দিশ সন্দৰ্ভত আজি মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, অশোক সিংহল, পীযুষ হাজৰিকা আৰু যোগেন মহনে পৰ্যালোচনা কৰে। এই বৈঠকখনত ৰাজ্যখনৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যক বিশ্ববাসীৰ সন্মুখত উন্মোচন কৰিবপৰাকৈ পৰিৱেশন ৰীতি, অনুষ্ঠান প্ৰদৰ্শনস্থলীৰ ব্যৱস্থাপনা, ব্ৰেণ্ডিং আৰু প্ৰচাৰ তথা খাদ্য আৰু প্ৰাথমিক চিকিৎসাৰ সুবিধা নিশ্চিত কৰা সন্দৰ্ভত বৈঠকত আলোচনা কৰা হয়।

oooooo

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি বৰঝাৰৰ গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ টাৰ্মিনাছ পুনৰ উন্নীতকৰণ প্ৰকল্প উদ্বোধন কৰে। প্ৰকল্পটো উদ্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে বছৰি ১০ লাখ ৩০ হাজাৰ যাত্ৰীৰ বহন ক্ষমতা যোগ্য ৰূপত গঢ় ল'বলগীয়া এই বিমান বন্দৰটোৱে বৰ্তমানৰ সামৰ্থ্যতকৈ চাৰি গুণ অধিক যাত্ৰীক সুবিধা প্ৰদান কৰিব পাৰিব। এই উন্নীতকৰণ প্ৰকল্পৰ অধীনত বিমান বন্দৰটোৰ সন্মুখ ভাগত প্লেটফৰ্মৰ এলেকা ২৭০ বৰ্গ মিটাৰৰ পৰা এহেজাৰ বৰ্গ মিটাৰলৈ বৃদ্ধি কৰা হৈছে। একেদৰে প্ৰৱেশ পথৰ সংখ্যা ৮ৰ পৰা ১৪ লৈ বৃদ্ধি কৰা হৈছে। তদুপৰি ৯০০ বৰ্গ মিটাৰ পদপথ নিৰ্মাণৰ লগতে ১৪০ মিটাৰ দৈৰ্ঘ্যৰ নক্সাখচিত এখন দেৱাল নিৰ্মাণ কৰা হৈছে। প্ৰয়োজনীয় আঁচবাব সংযোজনৰ লগতে বিমান বন্দৰটোত নিৰাপত্তাৰ অংশ হিচাপে নিৰীক্ষণৰ এলেকা ৩০০ৰ পৰা ৪৫০ বৰ্গ মিটাৰলৈ বৃদ্ধি কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ooooo

কাজিৰঙাত ষষ্ঠবাৰৰ বাবে জলচৰ আৰু পৰিভ্ৰমী পক্ষী গণনা সফলতাৰে সম্পন্ন হৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ প্ৰকল্পৰ অন্তৰ্গত অঞ্চলৰ পূব অসম বন্যপ্ৰাণী বন সংমণ্ডল, নগাঁও বন্যপ্ৰাণী সংমণ্ডল, বিশ্বনাথ বন্যপ্ৰাণী সংমণ্ডল আৰু চাপৰি এলেকাক সাঙুৰি এই গণনা কৰা হৈছে। সদ্য সমাপ্ত পক্ষী গণনাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বৃহত্তৰ অঞ্চলটোত ১২৬টা প্ৰজাতিৰ ১ লাখ ১২ হাজাৰ ৬২টা পক্ষীৰ অৱস্থিতি ধৰা পৰিছে। ২০২৩-২৪

বৰ্ষৰ তুলনাত পক্ষীৰ মুঠ সংখ্যা আছিল ৮৮ হাজাৰ ৭১০টা। এইবাৰৰ পক্ষী গণনাত ৰাষ্ট্ৰীয় উদ্যানখনত নতুনকৈ কেইবাবিধো পক্ষীৰ অৱস্থিতি ধৰা পৰিছে।

০০০০০

দিল্লী বিধানসভা নিৰ্বাচনত বিয়লি ৫ বজা পৰ্যন্ত ৫৭ দশমিক ৭-০ শতাংশ ভোটদান সম্পন্ন হৈছে। দিল্লীৰ ৭০টা বিধানসভা সমষ্টিত পুৱা ৭ বজাত আৰম্ভ হোৱা ভোটদান প্ৰক্ৰিয়া ৬ বজাত অন্ত পৰে। বিয়লি ৫ বজা পৰ্যন্ত উত্তৰ-পূব দিল্লী জিলাত সৰ্বাধিক ৬৩ দশমিক ৭-৩ শতাংশ ভোটদান হয়। কেন্দ্ৰীয় শাসিত অঞ্চলখনৰ ৭০টা সমষ্টিত মুঠ ৬৯৯ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ক্ৰমাগত তৃতীয়বাৰৰ বাবে আম আদমী পাৰ্টিয়ে চৰকাৰ গঠনৰ বাবে পূৰ্ণ শক্তিৰে নিৰ্বাচনত অৱতীৰ্ণ হৈছে। বিজেপিয়ে সুদীৰ্ঘ ২৭ বছৰৰ অন্তত দিল্লীত চৰকাৰ গঠনৰ বাবে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে।

দিল্লীৰ বিধানসভা নিৰ্বাচনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না, কেন্দ্ৰীয় মন্ত্ৰী ডঃ এছ্ জয়শংকৰ, হৰদীপ সিং পুৰী, জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধী, সেনাবাহিনীৰ মুৰব্বী উপেন্দ্ৰ দ্বিৱেদী, দিল্লীৰ উপ-ৰাজ্যপাল বিনয় কুমাৰ চাক্সেনা আৰু দিল্লীৰ মুখ্যমন্ত্ৰী আতিশীয়ে দিল্লী বিধান সভা নিৰ্বাচনত আজি ভোটৰ অধিকাৰ সাব্যস্ত কৰে। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰ, নিৰ্বাচন আয়ুক্তদ্বয় ডঃ সুখবীৰ সিং চান্দু আৰু জ্ঞানেশ কুমাৰ, প্ৰধানমন্ত্ৰীৰ মুখ্য সচিব ডঃ পি কে মিশ্ৰ, দিল্লীৰ আৰক্ষী আয়ুক্ত সঞ্জয় আৰোৰা, নতুন দিল্লী সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী সন্দীপ দীক্ষিত, দিল্লী বিজেপিৰ সভাপতি বীৰেন্দ্ৰ সচদেৱ আৰু জাংপুৰা সমষ্টিৰ আপৰ প্ৰাৰ্থী মনীষ শিশোদিয়াই আজি পুৱাৰ ভাগতে নিজৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰে।

আজি ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'বলগীয়া প্ৰাৰ্থীসকলৰ ভিতৰত আম আদমী পাৰ্টীৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱাল, দিল্লীৰ মুখ্যমন্ত্ৰী আতিশী, মন্ত্ৰী গোপাল ৰায়, বিজেপিৰ বিজেন্দৰ গুপ্তা, প্ৰৱেশ বাৰ্মা, ৰমেশ বিধুৰি আৰু কৈলাস গেহলট অন্যতম। কংগ্ৰেছ নেতা সন্দীপ দীক্ষিত, হাৰুণ ইউছুফ আৰু অলকা লাম্বাইও এই যুঁজত অৱতীৰ্ণ হৈছে।

০০০০০

ৰাজ্যৰ ১০ খন জিলাৰ ১২ হাজাৰ ৩৭৫ খন বিদ্যালয়ক সামৰি কালিৰেপৰা গুণোৎসৱৰ তৃতীয় পৰ্যায়ৰ কাৰ্যসূচী অনুষ্ঠিত হৈছে। গোৱালপাৰা জিলাৰ বালিজানা, মাটিয়া, দুধনৈ আৰু লক্ষীপুৰ – এই চাৰিটা শিক্ষাখণ্ডৰ এহেজাৰ ৫৭৪ খন বিদ্যালয়ত গুণোৎসৱ অনুষ্ঠিত হৈছে। জিলাখনৰ বিভিন্ন চৰকাৰী বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীৰ ১ লাখ ৬৩ হাজাৰ ৮০০ ৰো অধিক ছাত্ৰ-ছাত্ৰীক গুণোৎসৱৰ জৰিয়তে মূল্যায়ন কৰা হ'ব। জিলাখনত ৬৭৬ গৰাকী বিষয়াক বহিঃমূল্যায়ক হিচাপে নিয়োগ কৰা হৈছে। আজি জিলাখনৰ ৫৩৬ খন বিদ্যালয়ত বহিঃমূল্যায়ন সম্পন্ন হয়। একেদৰে মৰিগাঁও জিলাতো আজি গুণোৎসৱৰ বহিঃমূল্যায়ন কৰা হয়। জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মাই কেইবাখনো বিদ্যালয় পৰিদৰ্শন কৰি ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতে মত বিনিময় কৰে। তেওঁ বিদ্যালয়সমূহৰ পাঠদান পদ্ধতি, পৰীক্ষা ব্যৱস্থা আৰু শিক্ষকৰ বিভিন্ন সমস্যাৰ বিষয়ে তথ্য সংগ্ৰহ কৰে। উল্লেখযোগ্য যে কালি প্ৰথমদিনা ৯ লাখ ৮১ হাজাৰ ৫৬৫ গৰাকী শিক্ষাৰ্থীৰ স্ব-মূল্যায়ন কৰা হৈছিল। এই পৰ্যায়ত ডিব্ৰুগড়, বিশ্বনাথ, দৰং, মৰিগাঁও, বঙাইগাঁও, কাছাৰ, ডিমা হাচাও, গোৱালপাৰা, মাজুলী আৰু নলবাৰী জিলাত পৰহিলৈ পৰ্যন্ত তৃতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হ'ব। এই পৰ্যায়ত মুঠ ৪ হাজাৰ ৯৬৭ গৰাকী বহিঃমূল্যায়কে ১১ লাখ ৩৮ হাজাৰ ২৭৫ গৰাকী শিক্ষাৰ্থীৰ বহিঃমূল্যায়ন কৰিব।

ooooo

অসম চৰকাৰৰ পশুপালন বিভাগ আৰু গুৱাহাটী পৌৰ নিগমৰ সহযোগত আজি মিছন ৰেবিজ ডব্লিউ ভি এছ আৰু জে বি এফে অসম জলাতংক নিৰ্মূল প্ৰকল্পৰ শুভাৰম্ভ কৰে। গুৱাহাটী প্ৰেছ ক্লাবত আয়োজিত এটা অনুষ্ঠানত মেয়ৰ মৃগেন শৰণীয়াই আনুষ্ঠানিকভাৱে প্ৰকল্পটোৰ লগতে এটা ৰেবিজ হটলাইন নম্বৰো মুকলি কৰে। এতিয়াৰে পৰা ৯৭০৬০-৪৯৫৮৫ নম্বৰত ফোন কৰি যিকোনো লোক জলাতংকত আক্ৰান্ত বা জলাতংক ৰোগত আক্ৰান্ত হোৱাৰ সন্দেহ কৰা লোকৰ খবৰ দিব পাৰিব। জলাতংক নিৰ্মূল প্ৰকল্পৰ জৰিয়তে গুৱাহাটীৰ কমেও ৭০ শতাংশ কুকুৰৰ টীকাকৰণ কৰাৰ লগতে বিদ্যালয়-চিকিৎসালয় বা অন্যান্য ৰাজহুৱা স্থানত জলাতংক ৰোগ সন্দৰ্ভত সজাগতা কাৰ্যসূচী গ্ৰহণ কৰা হ'ব।

ooooo

অসম আৰক্ষীৰ সতৰ্কতা আৰু দুৰ্নীতি নিবাৰক বিভাগে আজি যোৰহাট কেন্দ্ৰীয় উন্নয়ন খণ্ডৰ চিপাহী খোলা কাৰ্যালয়ৰ সহকাৰী অভিযন্তা শিৱপ্ৰসাদ শইকীয়াক উৎকোচ লোৱাৰ অভিযোগত হাতে-লোটে ধৰা পেলায়। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি মহাত্মা গান্ধী এনৰেগা আঁচনিৰ বিলৰ ধন মুকলি কৰি দিয়াৰ বিনিময়ত সহকাৰী অভিযন্তা শিৱ প্ৰসাদ শইকীয়াই এজন ঠিকাদাৰৰ পৰা ১৫ হাজাৰ টকাৰ উৎকোচ বিচাৰে। সংশ্লিষ্ট ঠিকাদাৰজনে এই উৎকোচ নিদিয়াকৈ দুৰ্নীতি নিবাৰক শাখাৰ ওচৰ চাপে। সেই অনুসৰি আজি দুৰ্নীতি নিবাৰক শাখাৰ বিষয়াৰ এটা দলে যোৰহাট কেন্দ্ৰীয় উন্নয়ন খণ্ডৰ চিপাহী খোলা কাৰ্যালয়ত উপস্থিত হৈ পূৰ্ব পৰিকল্পনা মতে উৎকোচৰ ধন লৈ থকা অৱস্থাত এই দুৰ্নীতিগ্ৰস্ত বিষয়াজনক হাতে-লোটে ধৰা পেলায় আৰু উৎকোচৰ সমস্ত ধন তেওঁৰ ওচৰৰ পৰা উদ্ধাৰ কৰে। এই সংক্ৰান্তত দুৰ্নীতি নিবাৰক আৰক্ষী থানাত ১৯৮৮ চনৰ দুৰ্নীতি প্ৰতিৰোধ আইনৰ ৭ (ক) ধাৰাৰ অধীনত এটা গোচৰ ৰুজু কৰা হৈছে আৰু বিষয়াজনৰ বিৰুদ্ধে অধিক অনুসন্ধান চলাই থকা হৈছে বুলি আৰক্ষী বিভাগৰ এখন বিজ্ঞপ্তিত কোৱা হৈছে।

ooooo

আয়ৰ সৈতে সামঞ্জস্যহীন সম্পত্তিৰ গোচৰ গ্ৰেপ্তাৰ হোৱা আবকাৰী বিভাগৰ সচিব ইন্দ্ৰেশ্বৰ কলিতাৰ জামিন আবেদন আজি বিশেষ ন্যায়াধীশৰ আদালতে নাকচ কৰিছে। আয়তকৈ ৯৫ দশমিক ৫-৫ শতাংশ অধিক সা-সম্পত্তি অৰ্জনৰ সন্দৰ্ভত তদাৰকী কোষে অভিযুক্ত কলিতাক যোৱা ২৯ জানুৱাৰীত গ্ৰেপ্তাৰ কৰিছিল। আবকাৰী বিভাগৰ সচিব পদত কাৰ্যনিৰ্বাহ কৰি থকাৰ সময়ত আয়তকৈ অধিক স্থাৱৰ-অস্থাৱৰ সা-সম্পত্তি অৰ্জন কৰাৰ তথ্যৰ আধাৰত কলিতাক মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে গ্ৰেপ্তাৰ কৰিছিল।

ooooo

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আজিৰেপৰা চৰিদিনীয়া কাৰ্যসূচীৰে দ্বিতীয় আন্তঃৰাষ্ট্ৰীয় সাহিত্য মহোৎসৱ অনুষ্ঠিত হৈছে। গুৱাহাটীৰ কলা-সংস্কৃতি আৰু সাহিত্য বিষয়ক স্বেচ্ছাসেৱী অনুষ্ঠান ফ'কেলৰ উদ্যোগত আৰু বিশ্ববিদ্যালয়খনৰ সহযোগত এই মহোৎসৱৰ আয়োজন কৰা হৈছে। আফ্ৰিকাক কেন্দ্ৰীয় বিষয় হিচাপে লৈ আয়োজিত মহোৎসৱত ভাৰতৰ লগতে বিশ্বৰ ২৫ খন দেশৰ লেখক-সাহিত্যিকে অংশ লৈছে। মহোৎসৱৰ আটাইকেইটা দিনত কমেও ৫০ খন আলোচনা সত্ৰ আৰু কৰ্মশালা অনুষ্ঠিত হ'ব। আজি পুৱাৰ ভাগত বিশ্ববিদ্যালয়খনৰ ৰংঘৰ প্ৰেক্ষাগৃহত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। অসম সাহিত্য সভাৰ প্ৰাক্তন

সভাপতি বিশিষ্ট সাহিত্যিক ড° নগেন শইকীয়াই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ লয়। উদ্বোধনী অনুষ্ঠানত আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকা, আফ্ৰিকাৰ প্ৰখ্যাত লেখক টেটে মিচেল কেপামাচিকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠানৰ পাছতে আফ্ৰিকাক মূল বিষয় হিচাপে লৈ নিৰ্মিত এখন তথ্যচিত্ৰ প্ৰদৰ্শন আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আফ্ৰিকান ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হয়।

ooooo

যোৰহাটত কাইলৈৰ পৰা হ'বলগীয়া শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। যোৰহাট জিলাৰ ম'হবন্ধাৰ এৰালতলী পথাৰত চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই অধিৱেশনথলীত ইতিমধ্যে অসমৰ বিভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱৰ সমাগম হৈছে। কাইলৈ পুৱা পৰিৱেশ নিকাকৰণ আৰু গছপুলি ৰোপন কাৰ্যসূচীৰে অধিৱেশনৰ শুভাৰম্ভ কৰা হ'ব। ৮ ফেব্ৰুৱাৰীত হ'বলগীয়া মুকলি সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা। এই অধিৱেশনত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱসকলে অংশগ্ৰহণ কৰিব। ৮ ফেব্ৰুৱাৰীৰ পুৱা সংঘৰ নৱনিৰ্বাচিত পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকাই পতাকা উত্তোলন কৰিব। এই পতাকা উত্তোলনস্থলীত কাছ আকৃতিৰ বেদী নিৰ্মাণ কৰা হৈছে। বেদীটোৰ চৌপাশত প্ৰতীকিভাৱে ৫৪ খন পতাকা উত্তোলন কৰা হ'ব। তদুপৰি ৯৪ সংখ্যক অধিৱেশনৰ সৈতে সংগতি ৰাখি ৯৪টা খোল আৰু ৯৪ যোৰ তাল লৈ গায়ন-বায়নসকলে মাংগলিক ধ্বনি কৰিব। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ভাগৱত শোভাযাত্ৰা আৰু ধৰ্মালোচনা সভাৰ লগতে সত্ৰীয়া সংস্কৃতিৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

ooooo

উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ আজি নৱম দিন। আজিৰ দিনটোত লন বলৰ প্ৰতিযোগিতাত অসমৰ সুৰঞ্জনা বৰুৱাই ৰূপৰ পদক অৰ্জন কৰিছে। সুৰঞ্জনা বৰুৱাই কেৰিয়াৰৰ প্ৰথমখন ৰাষ্ট্ৰীয় ক্ৰীড়াত পদক অৰ্জনেৰে সফলতা কঢ়িয়াই আনিছে। আজিৰ দিনটোত অসমৰ চাৰিগৰাকী বক্সাৰে নিজৰ নিজৰ ইভেণ্টত ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। অসমৰ তাৰকা বক্সাৰ শিৱ থাপাই কোৱাৰ্টাৰ ফাইনেলত মণিপুৰৰ প্ৰতিদ্বন্দ্বীক ৫-০ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। আন এগৰাকী তাৰকা বক্সাৰ লাভলীনা বৰগোহাঁইয়েও নিজৰ বক্সিং ইভেণ্টত ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। বক্সাৰ অঙ্কুশিতা বড়োৱে হিমাচল প্ৰদেশৰ প্ৰতিদ্বন্দ্বীক ৫-০ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। একেদৰে মহিলা বক্সাৰ আইকন মিলিয়ে দিল্লীৰ প্ৰতিদ্বন্দ্বীক ৫-০ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

অসম ফুটবল দলটোৱে আজি অনুষ্ঠিত ছেমি ফাইনেলত কেৰালাৰ বিৰুদ্ধে পৰাজয় বৰণ কৰে। গ'ল শূন্যভাৱে সমাপ্ত হোৱা খেলখনত ট্ৰাই ব্ৰেকাৰত ৩-২ গ'লৰ ব্যৱধানত অসম দলটো পৰাস্ত হয়। অসমে এতিয়া তৃতীয় স্থান তথা ব্ৰঞ্জৰ পদকৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিব। অসমৰ দৌৰবিদ অম্লান বৰগোহাঁইয়ে ৰাষ্ট্ৰীয় ক্ৰীড়াত অংশগ্ৰহণৰ বাবে আজি উত্তৰাখণ্ড অভিমুখে যাত্ৰা কৰিছে। অসমে এইপৰ্যন্ত ১০টা ৰূপ আৰু ৫টা ব্ৰঞ্জৰ পদকেৰে তালিকাৰ ২৫ নম্বৰ স্থানত আছে।

ooooo

গুৱাহাটীৰ লতাশিল নিবাসী তাৰিণী চৌধুৰী চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী তথা ভাৰপ্ৰাপ্ত প্ৰাক্তন অধ্যক্ষা চিত্ৰা চৌধুৰীৰ আজি পুৱা শ্বাস-প্ৰশ্বাসজনিত ৰোগত আক্ৰান্ত হৈ দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৮ বছৰ।

চিৰাং জিলাৰ বিজনী চহৰৰ ১ নম্বৰ ৱাৰ্ডৰ বাসিন্দা বিশিষ্ট শিক্ষাবিদ, বিজনী মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ ধীৰেশ চন্দ্ৰ বৰ্মনৰ আজি পুৱা নিজ বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৭ বছৰ। ভাৰতীয় জাতীয় কংগ্ৰেছৰ এগৰাকী নিষ্ঠাবান কৰ্মী বৰ্মনে দুবাৰকৈ বিজনী বিধানসভা সমষ্টিত কংগ্ৰেছ দলৰ হৈ বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল। তেওঁৰ মৃত্যুত জিলাখনত শোকৰ ছাঁ পৰিছে।

ooooo

সমাপ্ত